ভাৰতবৰ্ষ ঃ বিশ্ব স্তনপান সপ্তাহ (১-৭ আগষ্ট ২০১৩)

# নিকট সহযোগ সাৰ্থক স্তনপান



# বি ৶ স্তনপান সপ্তাহ "১-৭ আগষ্ট ২০১৩"
# নিকট সহযোগ ঃ সাৰ্থক স্তনপান

২০১৩ চনৰ বিশ্ব স্তনপান সপ্তাহ প্ৰসঙ্গটিয়ে মাতৃসকলৰ নিচেই ওচৰতে স্তনপানৰ বাবে আৱশ্যকীয় সহায় উপলব্ধ কৰাই স্তনপানৰ সংখ্যা বঢ়োৱাৰ ওপৰত গুৰুত্ব দিছে। এই গোহাঁৰী পত্ৰৰ জৰিয়তে সমনীয়ালোকৰ দ্বাৰা স্বাস্থ্য আৰু পুষ্টিৰ গুৰুত্বৰ ওপৰত ৰাইজৰ মাজত প্ৰচাৰ কৰি মাতৃগৰাকীয়ে সফলতাৰে স্তনপান কৰোৱা বিষয়ত আৱশ্যকীয় সহায়-সহযোগ আগবঢ়োৱাতোয়েই হৈছে প্ৰধান উদ্দেশ্যে।

## প্ৰস্তাৱনা ঃ

শিশুৰ জীৱনৰ প্ৰথম দুবছৰেই, সঠিক বাঢ়ন, বিকাশ আৰু জীৱন ধাৰণৰ উত্তম সুযোগৰ সময়। সঠিক বাঢ়ন, বিকাশ আৰু সুদীৰ্ঘ জীৱন সুনিশ্চিত কৰিবলৈ, প্ৰতিটো শিশুকেই, খুউৱা বিষয়ত বিশেষ গুৰুত্ব দিব লাগে। সথিক খুউৱা অভ্যাস বুলিলে—

(ক) জন্মৰ এঘণ্টাৰ ভিতৰতে স্তনপান আৰম্ভ কৰা।

(খ) প্ৰথম ছমাহলৈ একমাত্ৰ স্তনপান আৰু ছমাহৰ পিছত পুৰিপুৰক আহাৰ আৰম্ভ কৰা আৰু দুবছৰ বা ততোধিক বয়সলৈ স্তনপান কৰাই থকা বুজায়।

শিশুৰ প্ৰথম দুবছৰত 'খুউৱা অভ্যাসৰ' উন্নতিৰ ওপৰত লোৱা চৰকাৰী ব্যৱস্থাবোৰ কাকতে কলমেহে বাঢ়িছে। সেয়েহে এইবোৰ এতিয়া সঁচাকৈয়ে কাৰ্যাক্ষম কৰাৰ সময় আহি পাইছে।

## এয়া ক'ত সম্ভৱ ?

সঘনাই মাতৃ সকলক গাঁওত গৈ লগ ধৰি, তেওঁলোকক অতি ওচৰৰ পৰা কথা পাতি স্তনপান কৰোৱা মাতৃৰ সংখ্যা বঢ়াব পৰা যায়। গৰ্ভাৱস্থাত আৰু শিশুৰ দুৰছৰ বয়সলৈকে, স্বাস্থ্যকৰ্মীসকলৰ লগত মাতৃগৰাকীৰ ঘনাই যোগাযোগ হয়। প্ৰসৱ কক্ষত থকা ডাক্তৰ, নাৰ্চ আদিয়ে স্বাস্থ্য অনুস্থানতেই, মাতৃগৰাকীক দিহাপৰামৰ্শ দিয়া এটা কৰ্তব্য। গাঁওত বা নিজ ঘৰত, 'আশা' বা অঙ্গনৱাড়ী কৰ্মীয়ে মাতৃগৰাকীক সহায় আগবঢ়ায়। তাৰোপৰি স্বাস্থ্য আৰু পুষ্টি দিৱসত আৰু অঙ্গৰবাড়ী কেন্দ্ৰতো এওঁলোকে পৰামৰ্শ দিয়ে। গৃহ পৰিদৰ্শনৰ সময়ত প্ৰতিগৰাকী মাতৃকেই এজনী এজনীকৈ, দক্ষতাপুৰ্ণ দিহাপৰামৰ্শ আগবঢ়োৱাতো অতি উত্তম উপায়। তাৰোপৰি মাতৃসকল যাতে কৃত্ৰিম শিশু খাদ্যলৈ আকৃষ্ট নহয় তাৈল লক্ষ্য ৰাখি, মাতৃসকলক সথিক তথ্য যোগান ধৰাতো গুৰুত্বপূৰ্ণ।

## সমনিয়াৰ আলোচনা কোনে আত ধৰিব ?

ডাক্তৰ, নাৰ্চ, আন স্বাস্থকৰ্মী, 'আশা', অঙ্গনবাড়ী, মাতৃ সহায়ক গোট, স্বামী বা পৰিয়ালৰ আন সদস্যই আত ধৰিব পাৰে।

## বিশ্বস্তন পান সপ্তাহ ২০১৩ৰ উদ্দেশ্য ঃ

(১) স্তনপান আৰম্ভ কৰা আৰু কৃতকাৰ্যতাৰে চলাই যোৱাৰ বাবে মাতৃসকলক সহায় কৰা আৰু ইজনে সিজনক পৰামৰ্শ দিয়াৰ গুৰুত্বৰ বিষয়ে সজাগতা সৃষ্টি কৰা।

(২) সফল স্তনপানৰ বাবে মাতৃৰ আৱশ্যকীয় সহায় সহযোগ বিভিন্ন স্তৰত উপলব্ধ কৰোৱাৰ বাবে ৰাইজ আৰু চৰকাৰক সজাগ কৰা।

(৩) প্ৰতিখন গাঁওতেই ললিতপুৰ জিলাৰ দৰে 'স্তনপান সহায়ক গোট" স্থাপন কৰি উত্তম ব্যৱস্থাবোৰ প্ৰচাৰৰ ব্যৱস্থা কৰা।

(৪) উত্তম ব্যৱস্থাবোৰৰ প্ৰয়োগৰ বাবে ৰাইজৰ প্ৰতিনিধি আৰু চৰকাৰী বিষয়াক লগ ধৰি পতিয়ন নিয়োৱা।

(৫) বিশ্বস্তনপান সপ্তাহ ২০১৩ ৰ মূল বিষয়টোৰ প্ৰতি ৰাইজক আগ্ৰহান্বিত কৰা।

## প্ৰেক্ষাপত ঃ

সকলো দেশতেই স্তনপানৰ প্ৰচাৰ আৰু সহায় সহযোগিতাৰ হেতু নুন্যতম মাপকাঠি নিৰ্ণয়ৰ বাবে ১৯৮১ চনত 'আন্তৰ্জাতিক বিধান' প্ৰৱৰ্তন কৰা হয়। এই বিধানমতে মাতৃদুগ্ধৰ বৈকল্পিক খাদ্যৰ ব্যৱসায়িক প্ৰচলনত বাধাৰ বিশেষ ব্যৱস্থাৰ আৱশ্যক। এনে বৈকল্পিক খাদ্য প্ৰচলন সচৰাচৰ কৰা প্ৰচলন ব্যৱস্থাৰ দৰে হ'ব নোৱাৰে।

এই কাৰণতে ভাৰতীয় সংসদে শিশুৰ দুগ্ধৰ বিকল্প, গাখীৰ খুউৱা বটল আৰু শিশুৰ খাদ্য উৎপাদনৰ নিয়ন্ত্ৰণ, পৰিবহন আৰু বিতৰণ আইন ১৯৯২ খন ২০০৩ ত সংশোধন কৰি প্ৰণয়ন কৰে।

শিশু খাদ্য প্ৰস্তুত কৰি ব্যৱসায়িক প্ৰতিস্থানবোৰৰ ব্যৱসায়িক প্ৰসাৰতাৰ দ্বাৰা স্তনপানৰ প্ৰচলন হ্ৰাস কৰাৰ যি উদ্দ্যোগ তাক প্ৰতিহত কৰাৰ বাবে এই আইনখন প্ৰণয়ন কৰা হৈছে। মাতৃ দুগ্ধ আৰু শিশুৰ খাদ্যৰ বহল প্ৰচাৰ আৰু ব্যৱহাৰে শিশুৰ পুষ্টিহীনতা আৰু মৃত্যুৰ হাৰ বঢ়োৱাটো নিশ্চিত

ভাৱে প্ৰমাণিত হৈছে। ব্যৱসায়িক আৰু এক পক্ষিয় তথ্যবোৰৰ সলনি এই আইনখনে সকলো মাতৃকেই সঠিক তথ্য আৰু সহায় সহযোগ আগবঢ়োৱাত সহায় কৰিছে।

১৯৬১ চনত প্ৰণয়ন কৰা প্ৰসুতিৰ লাভজনক আইনৰ দ্বাৰা বেচৰকাৰী আৰু চৰকাৰী অনুষ্ঠানত কাম কৰা প্ৰতিগৰাকী মাতৃকে বেতন সহ বাৰ সপ্তাহৰ চুটি মঞ্জুৰ কৰিছে। ইন্দিৰা গান্ধী মাতৃত্বসহায়ক যোজনাৰ জৰিয়তে যিবোৰ মাতৃয়ে এই আচনিত অন্তৰ্ভুক্ত নহয় তেওঁলোকৰ বেতন লোকচানৰ পৰিবৰ্তে নগদ ধন দিয়া ইতিবাচক ব্যৱস্থা লোৱা হৈছে যাতে এই মাতৃসকলে সঠিক স্তনপান কৰাই শিশুসকলক স্বাস্থ্যবান আৰু নিৰোগী কৰাব পাৰে।

২০০২ চনত বিশ্বস্বাস্থ্য সংস্থা আৰু ইউনিচেফ কেচুৱা আৰু কুমলীয়া শিশুৰ আহাৰ সম্পৰ্কীয় প্ৰবৰ্ত্তন কৰা গোলকীয় ধাৰনাৰ ওপৰত নিৰ্ভৰ কৰিয়েই ভাৰতবৰ্ষতো ৰাষ্ট্ৰীয় কেচুৱা আৰু কুমলীয়া শিশুৰ আহাৰ বিষয়ক নিৰ্দেশনা প্ৰস্তুত কৰি প্ৰত্যেকটো শিশুৰ যাতে পৰ্যাপ্ত বৃদ্ধি বিকাশ আৰু স্বাস্থ্যৱান হয় তাৰ বাবে চেষ্টা কৰা হৈছে। ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগেও ২০১৩ চনত কেচুৱা আৰু কুমলীয়া শিশুৰ আহাৰ বিষয়ক নিৰ্দেশিকা প্ৰস্তুত কৰি উলিয়াইছে।

## ভাৰতবৰ্ষত মাতৃৰ স্তনপানৰ সহায় সহযোগ কিমান সহজ লভ্য

ভাৰতবৰ্ষত ২০১২ চনত বিশ্ব স্তনপান প্ৰচলন বিষয়ে সমীক্ষাত স্তনপান সম্পৰ্কীয় বিভিন্ন নিৰ্ণায়কবোৰ সন্তোষজনক পোৱা নাই আৰু এই নিৰ্ণায়কবোৰ যোৱা কেইবছৰৰ পৰা বৃদ্ধি হোৱা দেখা যোৱা নাই।

ইয়াৰ প্ৰধান কাৰণ হ'ল যে—

আইন আৰু আঁচনি প্ৰণয়নত ভাৰতবৰ্ষ পিছপৰি আছে। সেয়ে স্তনপান সম্পৰ্কীয় নিৰ্নায়কৰ উন্নতি হোৱা দেখা নাই।



প্ৰচলিত কেচুৱা আৰু কুমলীয়া শিশুৰ নিৰ্দ্দেশিকা আৰু IMS act ৰ প্ৰয়োগ অতি দুৰ্বল আৰু আইন প্ৰণয়নকাৰি সকলেও ইয়াৰ ওপৰত গুৰুত্ব দিয়া দেখা নাযায়। প্ৰচলিত ব্যৱস্থাই এই আইনবোৰ ভালদৰে পৰ্যবেক্ষণ কৰি ব্যৱসায় গোষ্ঠীয়ে শিশুৰ খাদ্য প্ৰস্তুতিকাৰিবোৰৰ খাদ্য প্ৰচলন কৰাৰ বাধা আৰোপ কৰিব পৰা নাই। সেয়েহে সমূহীয়াকৈ ৰাইজৰ মাজত ই মাতৃ সকলক সহায় সহযোগৰ প্ৰাপ্যখিনি দিব পৰা নাই। মাতৃসকলক সঠিক তথ্য যোগান ধৰিব নোৱাৰা আৰু প্ৰত্যেক গৰাকী মাতৃক নিজাববীয়াকৈ পৰামৰ্শ দিব নোৱাৰাৰ কাৰণে মাতৃসকলে ব্যৱসায়িক ভিত্তিত উপলব্ধ শিশুখাদ্য ব্যৱহাৰ কৰিব লগা হয়। সুকলমে স্তনপান কৰোৱাৰ কাৰণে মাতৃ আৰু শিশু একেলগে থকা অতি আৱশ্যক।

মাতৃ আৰু শিশুয়ে স্তনপানৰ কাৰণে পৰিয়াল, সমাজ, কৰ্মস্থান স্বাস্থ্য প্ৰতিস্থান, আদি সকলোৰে সহায় সহযোগীতাৰ প্ৰয়োজন। এই বছৰৰ বিষয়টোৱে বিষয়কৈ সমনীয়া সকলৰ পৰা আলাপা আলোচনাৰ উপৰিও পৰিয়াল বা স্বাস্থ্য প্ৰতিস্থানৰ সহায় সহযোগৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

## স্তনপানৰ গল্প



মোৰ ছোৱালী মালাৰ জন্মৰ পিছত স্তনপানৰ বহুত অসুবিধা হৈছিল মোৰ স্তনফুলি টান হৈ আছিল। চিজিৰান অষ্ট্ৰোপচাৰ হোৱাৰ পিছত মোৰ স্তন টান হৈ থকাৰ ফলত মোৰ বহুত বিষ হৈছিল। মই মোৰ ওচৰৰ স্বাস্থ্য কৰ্মিৰ পৰা এই বিষয়ে সহায় সহযোগিতা পোৱা নাছিলো। যাৰ ফলত মই বহুত কষ্ট, দুখ আৰু অসন্তোষত ভুগিছিলো। মই মোৰ ছোৱালীজনিক গাখীৰ খুৱাবও পৰা নাছিলো। মোৰ ছোৱালীজন্মৰ তিনি দিনৰ পিছত বন্ধু ৰিনাই মোক সম্বৰ্দ্ধনা জনাই টেলিফোন কৰিছিল মই তেওঁক গোটেই কথাখিনি কান্দি কান্দি বিৱৰি কৈছিলো। তেওঁ তেতিয়া মোক পৰামৰ্শ দিছিল যে মই মোৰ ছোৱালী জনিক গাখীৰ খুউৱাব পাৰিম। মই কেনেকৈ মোৰ স্তন ফুলি উঠিলে গৰম সেক আৰু ছোৱালী জনিক স্তন চুপি

কেনেকৈ খাবলৈ দিম তাক বুজায় কলে। মোক লগতে BPNI ৰ লগত যোগাযোগ কৰিবলৈ কয় যাতে মই সঠিক তথ্য লাভ কৰিব পাৰো। মই মোৰ বন্ধু গৰাকীৰ ওচৰত কৃতজ্ঞ। মই ছোৱালীজনিক স্তনপান কৰাব পাৰো আৰু মই আনকো এই বিষয়ত পৰামৰ্শ প্ৰদান কৰিব পাৰো।

## ললিত পুৰৰ চানেকী

উত্তৰ প্ৰদেশৰ ললিটপুৰ জিলাত বি আৰ ডি চিকিৎসা মহাবিদ্যালয়ে "বেবি ফ্ৰেইন্দলি কমুনিতি হেল্থ" নামৰ এখন আঁচনি ২০০৬ চনৰ নবেম্বৰ মাহত হাতত লয়। এই আঁচনিত ছটা উন্নয়ন খণ্ডত ৯৫১ খন ICDS গাঁও অন্তৰ্ভুক্ত কৰা হয়। এই আঁচনিৰ উদ্দেশ্য আছিল ICDS আৰু NRHM ৰ সহযোগত কেচুৰা আৰু কুমলীয়া শিশুৰ খুওৱা বিষয়ত উন্নতিকৰণ। শিশুক এই আঁচনিয়েই দুই বছৰ বয়সলৈকে খুওৱাৰ বিষয়ৰ উন্নতি সাধন কৰি তেওঁলোকৰ পৰিপুষ্টি উন্নতি সাধন কৰা হয় লগতে প্ৰতিষেধক চিটা প্ৰদান, বৃদ্ধিৰ পৰ্যবেক্ষণ আৰম্ভ কৰা হয়।

এই আঁচনিত আশা, অঙ্গনবাদী কৰ্মি আৰু পৰম্পৰা ধাই সকলক লৈ একোটিকৈ মাতৃ সহায়ক গোট স্থাপন কৰা হয়। এই গোটটোৱে সেই গঁৱাত থকা সমাজকৰ্ম্মীৰ লগ হৈ প্ৰতি ঘৰে ঘৰে গৈ স্তনপান আৰু পৰিপুৰক আহাৰ বিষয়ে দিহা পৰামৰ্শ আগবঢ়ায়। এই মাতৃসহায়ক গোটবোৰক জন্মৰ পিছত স্তনপান কৰোৱা, কলষ্টাম খুওৱা, একমাত্ৰ স্তনপান কৰোৱা, কেনেকৈ স্তনপান কৰাব লাগে এইবোৰ বিষয়ত প্ৰশিক্ষণ দিয়া হয়। প্ৰতিটো মাতৃ সহায়ক গোটতেই তিনিগৰাকীকৈ প্ৰশিক্ষণ প্ৰাপ্ত বক্তিৰ দ্বাৰা ৯৫১ টা মাতৃ সহায়ক গোট স্থাপন কৰা হয়। এই মাতৃ সহায়ক গোটৰ জৰিয়তে গোটেইখন ললিতপুৰ জিলাত ২৮৫৩ টা প্ৰশিক্ষণ প্ৰাপ্ত মাতৃ সহায়ক গোটৰ সদস্য উপলব্ধ হয়।

এই গ্ৰাম্য সহায় পৰামৰ্শদাতা সকলে মাতৃ সকলৰ লগত থাকি কাম কৰাৰ কাৰণে ললিতপুৰ জিলাত স্তনপানৰ হাৰ বহুগুণে বৃদ্ধি পায়। জন্মৰ প্ৰথম ঘণ্টাৰ ভিতৰতে স্তনপান কৰোৱাৰ সংখ্যা ২০০৬ চনৰ ১০.৬% ৰ বিপৰীতে ২০১১ চনত ই ৬২% হয়গৈ। প্ৰথম ছমাহৰ ভিতৰত একমাত্ৰ স্তনপানৰ সংখ্যাও ২০০৬ চনৰ ৬.৬% ৰ পৰা ২০১১ চনত ৬০% হয়গৈ। সময়ত সঠিক পৰিমাণৰ পৰিপুৰক আহাৰ ৬-৮ মাহৰ ভিতৰত আৰম্ভ কৰা শিশুৰ সংখ্যা ২০০৬ চনত ৫৩.৮% ৰ পৰা ২০১১ চনত ৯৫% হয়গৈ।

এই হাৰ গোটেই উত্তৰ প্ৰদেশৰ হাৰতকৈ বহুত বেছি।

এই অঁচানিখনে গ্ৰাম্য পৰ্যায়ত বিভিন্ন বিভাগৰ সমন্বয়ত প্ৰশিক্ষক আৰু গ্ৰাম্য পৰামৰ্শদাতা সকলৰ কৰ্মস্পৃহাৰ জৰিয়তে, শিশুক খুওৱাৰ বিষয়ক পৰামৰ্শৰ দ্বাৰা পুষ্টিহীনতা ৰোধ কৰি কেচুৰা আৰু কুমলীয়া শিশুৰ ৰোগ প্ৰতিৰোধৰ সহায়ক হৈছে।

## ভাৰত চৰকাৰৰ দায়বদ্ধতা

ভাৰত চৰকাৰৰ পৰিকল্পনা আয়োগৰ দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত স্তনপান আৰু কুমলীয়া শিশুৰ খুওৱাৰ বিষয়ত সমনীয়াৰ সহায়-সহযোগৰ আৱশ্যকতা স্বিকৃতি দিছে।

নৱগঠিত সংসহ শিশু উন্নয়ন আঁচনিয়েও, তিনি বছৰৰ তলৰ শিশু, গৰ্ভৱতী আৰু তিনি বছৰ তলৰ শিশুৰ মাতৃসকলৰ পৰিপুষ্টিৰ যত্ন বিষয়টো সামৰি লৈছে। সংসহ শিশু উন্নয়ন আঁচনি আৰু স্বাস্থ্য আৰু পৰিপুষ্ট সেৱাৰ ক্ষেত্ৰত অভিভাৱক আৰু সমাজৰ শিক্ষা অন্তৰ্ভুক্ত কৰি পৰিপুষ্টি আৰু স্বাস্থ্যৰ শিক্ষাৰ আঁচনি পুনৰ গঠিত কৰা হৈছে।

শিশুৰ দুগ্ধ বিকল্প, গাখীৰ খুওৱা বটল আৰু শিশু খাদ্য উৎপাদন, নিয়ন্ত্ৰণ আৰু পৰিবহন আইন ১৯৯২ খনৰ দ্বাৰা স্তনপানৰ সুৰক্ষা আৰু বহুল প্ৰচাৰৰ লগত শিশুখাদ্য প্ৰস্তুত কাৰীৰ ব্যৱসায়িক আধিপত্যৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হৈছে।

ব্যৱসায়িক প্ৰতিস্থানৰ অনিষ্টকাৰী প্ৰভাৱৰ পৰা সমাজক ৰক্ষা কৰিবলৈ এই আইনখনে সুবিধা দিছে। তথাপিও এই আইন অমান্য কাৰী কৰ্ম, প্ৰচলিত হৈয়ে আছে। সেয়েহে এই আইনখন কঠোৰভাৱে প্ৰয়োগ কৰিবলৈ আমাৰ ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়নমন্ত্ৰী প্ৰয়াত শ্ৰী অৰ্জুন সিং ডাঙৰীয়াই কছিল 'শিশুক খুওৱাৰ ভুল ব্যৱস্থাৰ দ্বাৰা শিশু পুষ্টিহীন হয়, ৰোগ বাঢ়ে আৰু মৃত্যু মুখত পৰে", 'শিশুৰ দুগ্ধৰ বিকল্প আহাৰ আৰু ইয়াৰ সংলগ্ন কাৰী বস্তু যেনে গাখীৰ খুওৱা বটল, ৰবৰ বাট আদিয়েই স্বাস্থ্যৰ বিপদ মাতি আনিব পাৰে।'

মাতৃ দুগ্ধৰ উপকাৰীতা বিষয়ক তথ্য পাতিতকৈ শিশুৰ খাদ্যৰ বিকল্প বব্যস্থাৰ বহুল প্ৰচাৰৰ জৰিয়তে স্তনপানৰ হাৰ হ্ৰাস পোৱা দেখা গৈছে। স্তনপানৰ ৰক্ষা, প্ৰচাৰ আৰু সহায় সহযোগৰ বাবে যদি উপযুক্ত শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰা নহয় তেনেহ'লে স্তনপানৰ হাৰ নিম্নগামী হ'ব আৰু ই এনেকুৱা বিপদজনক হৈ পৰিব যে লাখ লাখ শিশু অপুষ্টি আৰু ৰোগ সংক্ৰামনত ভূগি মৃত্যু বৰণ কৰিব




## সংহত শিশু বিকাশ সেৱা অভিযান ঃ

২০১২ চনৰ ভাৰত চৰকাৰৰ মাতৃ আৰু শিশুৰ বিকাশ মন্ত্ৰণালয়ৰ তথ্যত তিনিবছৰৰ তলৰ শিশুৰ বিকাশ আৰু শিক্ষাৰ কাৰণে পয্যাপ্ত কেচুৰা আৰু কুমলীয়া শিশুক খুৱাৰ ব্যৱস্থাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। সঠিক তথ্য যোগান আৰু

ঘৰে ঘৰে গৈ ইজনে-সিজনৰ লগত কথা পাতি কেচুৱা আৰু কমলীয়া শিশুৰ খুৱাৰ বৰ্য্যস্থাৰ ওপৰত জোৰ দিছে। পৰিপুষ্টি পৰামৰ্শদাতা, পৰিদৰ্শক আৰু ক্ষেত্ৰ কৰ্মি সকলৰ জ্ঞান আৰু দক্ষতা বঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত কেচুৱা আৰু কুমলীয়া শিশুক খুওৱাৰ বিষয়ত দক্ষ ব্যক্তি বা অনুষ্ঠান যেনে স্বাস্থ্য প্ৰতিষ্ঠান, স্বাস্থসেৱি অনুষ্ঠান আৰু BPNI ক জৰিত কৰা হৈছে




ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়, ৰাষ্ট্ৰীয় গ্ৰাম্যস্বাস্থ্য অভিযানৰ দ্বাৰা প্ৰকাশিত কেচুৱা আৰু কুমলীয়া শিশুৰ পৰ্যাপ্ত খুউৱাৰ ব্যৱস্থাৰ নিৰ্দেশনা (২০১৩) ই, ঘৰে ঘৰে গৈ মাতৃ সকলৰ লগত কথা বতৰা পাতি শিশুৰ খুওৱাৰ অভ্যাসৰ উন্নতি সাধন কৰাৰ ওপৰত গুৰুত্ব দিছে।

এই নিৰ্দেশনাত গাঁও পৰ্যায়ত মাতৃসকলক পৰামৰ্শ দিয়াৰ বাবে 4-in 1 প্ৰশিক্ষণৰ পাঠ্যক্ৰমৰ জৰিয়তে গ্ৰাম্য পৰামৰ্শদাতা সকলত পৰামৰ্শ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান আৰু সংহত শিশু বিকাশ সেৱাত মাতৃসকলক নিচেই ওচৰতে স্তনপান সহায় সহযোগ উপলব্ধ কৰাৰ ব্যৱস্থা কৰা হৈছে।

## কৰ্ম ভাৱনা ঃ

সাধাৰণ তথা বিশেষ অৱস্থাতো মাতৃ সকলক পৰিয়াল, সমাজ, কৰ্মস্থান, স্বাস্থ্য অনুষ্ঠান আৰু আইনি ব্যৱস্থাৰ সহায় সহযোগেৰে স্তনপানৰ উন্নতি কৰণ অতি আৱশ্যকীয়। সমাজৰ দায়িত্বশীল ব্যক্তি হিচাপে আমি গৰ্ভৱতী আৰু প্ৰসুতি মাতৃ সকলক সহায় কৰাৰ কাৰণে সংকল্পবদ্ধ হওআহক।

(১) মাতৃ সকললৈ সহায় সহযোগ আগবঢ়াওক (এখন গোহাঁৰী প্ৰস্তুত কৰি তাত কমেও এশ জন ব্যক্তিৰ চহি লৈ জিলা উপায়ুক্ত বা ৰাজনৈতিক নেতাক বিহীত ব্যৱস্থাৰ বাবে প্ৰেৰণ কৰক।)

(২) মাতৃ সকলক স্তনপানত সহায় কৰা উদ্দেশ্যে ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ ৰেলি বাটৰ নাট আদিৰে আয়োজন কৰক।

(৩) ১০-২০ গৰাকী মাতৃক সাক্ষাতকাৰ লৈ মাতৃসকলে কিমান সহায় সুবিধা পাইছে তাৰ এটি সমীক্ষা চলাই এই বিষয়ে চৰকাৰ আৰু প্ৰচাৰ মাধ্যমক অৱগত কৰাওক।

(৪) চিকিৎসালয় স্বাস্থ্যকেন্দ্ৰ, চিকিৎসালয়ৰ বহিঃবিভাগ আদিত সভা পাতি সকলোকে ললিত পুৰৰ ভিডিওটো প্ৰদৰ্শন কৰক।

(৫) স্থানীয় স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ছবি অকা ৰংকৰা বা তৰ্ক প্ৰতিযোগিতা পাতক।




Bringing support close mothers in NRHM & ICDS

বিশ্বস্তনপান সপ্তাহ ২০১৩ সময়ত লোৱা আৰু কৃতকাৰ্যতাৰে সমাপন কৰা কাৰ্যসূচীৰ বিবৰণ 'বি পি এন আই' লৈ পঠিয়াওক আৰু পুৰস্কাৰ লাভ কৰক। এনে কৰিলে আপোনাৰ কাৰ্যাৱলীৰো বহুল প্ৰচাৰ হ'ব।

bpni
putting child nutrition
at the forefront
of social change

IBFAN
defending breastfeeding

WABA

সংকলন ঃ নুপুৰ বিদিয়া
সম্পাদক ঃ ডাঃ অৰুণ গুপ্তা
ডাঃ জে. পি. দধিছ
ডাঃ ৰীতা গুপ্তা।
চিত্ৰাঙ্কন ঃ অমিত দাহিয়া
ৰচনা আৰু প্ৰযোজনা ঃ বি. পি. এন. আই পিটামপুৰা,
দিল্লী-১১০০৩৪

বি পি এন আইৰ বাবে
ডাঃ অতুল চন্দ্ৰ শৰ্মা
ৰাজ্যিক সমন্বয় বিষয়া
বি পি এন আই, অসমৰ দ্বাৰা প্ৰচাৰিত